**Signature and Name of Invigilator**

1. (Signature) ________________

(Name) ________________

2. (Signature) ________________

(Name) ________________

**Answer Sheet No. :** ....................................................
(To be filled by the Candidate)

**Roll No.** | | | | | | | |
(In figures as per admission card)

**Roll No.** ________________
(In words)

**Test Booklet No.**

**J—3605**

**PAPER—II**

# ASSAMESE

**Time : 1¼ hours]** **[Maximum Marks : 100**

Number of Pages in this Booklet : **12** Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal on the edge of this cover page. Do not accept a booklet without sticker-seal and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the question booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the Serial No. of the booklet should be entered in the Answer-sheets and the Serial No. of Answer Sheet should be entered on this Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the oval as indicated below on the correct response against each item.
   **Example :** (A) (B) ⬤ (D)
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the Answer Sheet given **inside the Paper I booklet only**. If you mark at any place other than in the ovals in the Answer Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your name or put any mark on any part of the test booklet, except for the space allotted for the relevant entries, which may disclose your identity, you will render yourself liable to disqualification.
9. You have to return the test question booklet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is NO negative marking.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी। पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए उसके कवर पेज पर लगी कागज की सील को फाड़ लें। खुली हुई या बिना स्टीकर-सील की पुस्तिका स्वीकार न करें।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं। दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें। इसके लिए आपको पाँच मिनट दिये जायेंगे। उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा।**
   (iii) इस जाँच के बाद प्रश्न-पुस्तिका की क्रम संख्या उत्तर-पत्रक पर अंकित करें और उत्तर-पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं। आपको सही उत्तर के दीर्घवृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है।
   **उदाहरण :** (A) (B) ⬤ (D)
   जबकि (C) सही उत्तर है।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये** उत्तर-पत्रक पर ही अंकित करने हैं। यदि आप उत्तर पत्रक पर दिये गये दीर्घवृत्त के अलावा किसी अन्य स्थान पर उत्तर चिन्हांकित करते है, तो उसका मूल्यांकन नहीं होगा।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें।
8. यदि आप उत्तर-पुस्तिका पर अपना नाम या ऐसा कोई भी निशान जिससे आपकी पहचान हो सके, किसी भी भाग पर दर्शाते या अंकित करते हैं तो परीक्षा के लिये अयोग्य घोषित कर दिये जायेंगे।
9. आपको परीक्षा समाप्त होने पर उत्तर-पुस्तिका निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद अपने साथ परीक्षा भवन से बाहर न लेकर जायें।
10. **केवल नीले/काले बाल प्वाईंट पैन का ही इस्तेमाल करें।**
11. **किसी भी प्रकार का संगणक ( कैलकुलेटर ) या लाग टेबल आदि का प्रयोग वर्जित है।**
12. **गलत उत्तर के लिए अंक नहीं काटे जायेंगे।**

# ASSAMESE

# অসমীয়া

## PAPER – II

## প্ৰশ্নকাকত – II

**Note :** This paper contains **fifty** (50) multiple-choice questions, each question carrying **two** (2) marks. Mark the correct response in the answer sheet. All questions are compulsory.

**টোকা ঃ** এই প্ৰশ্নকাকতত বহু-বিকল্পীয় 50 (পঞ্চাছ) টা প্ৰশ্ন আছে। প্ৰতিটো প্ৰশ্নৰ মূল্যাংক 2 (দুই)। সকলো প্ৰশ্নৰ উত্তৰ কৰিবা।

**তলৰ 1ৰ পৰা 15লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত A,B,C,D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰেপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।**

1. চৰ্যাপদৰ কোনজন লেখক নিসন্দেহে কামৰূপৰ?
   (A) ডোম্বীপাদ (B) ভুসুকুপাদ (C) লুইপাদ (D) মহীধৰপাদ

2. শ্ৰীকৃষ্ণ-কীৰ্তনৰ লেখক কোন?
   (A) শঙ্কৰদেৱ (B) বড়ু চণ্ডীদাস (C) ৰাখাই পণ্ডিত (D) হৰিবৰ বিপ্ৰ

3. শঙ্কৰদেৱে ৰচনা কৰা প্ৰথম পুথিখন কি?
   (A) কুৰুক্ষেত্ৰ (B) আদি দশম (C) হৰিশ্চন্দ্ৰ উপাখ্যান (D) ৰুক্মিণীহৰণ

4. 'নামঘোষা'ৰ প্ৰথম ঘোষাটোৰ মূল কি?
   (A) শ্ৰীধৰ স্বামীৰ 'সুবোধিনী টীকা' (B) শঙ্কৰাচাৰ্যৰ 'মোহ মুদ্গৰ'
   (C) বিষ্ণুপুৰী সন্যাসীৰ 'কান্তিমালা টীকা' (D) শঙ্কৰদেৱৰ 'ভক্তি ৰত্নাকৰ'

5. 'উষা-পৰিণয়' কাব্যৰ ৰচয়িতা কোন?
   (A) অনন্ত কন্দলি (B) পীতাম্বৰ দাস (C) দুৰ্গাবৰ কায়স্থ (D) নাৰায়ণদেৱ

6. ভট্টদেৱে ৰচনা কৰা গ্ৰন্থখন কি?
   (A) কথা ৰামায়ণ (B) কথা গুৰুচৰিত
   (C) কথা ভাগৱত (D) কথা ভক্তিৰত্নাকৰ

7. 'গুৰুচৰিত কথা'ৰ বক্তা কোন?
   (A) ৰামানন্দ দ্বিজ (B) নীলকান্ত দাস
   (C) দৈত্যাৰি ঠাকুৰ (D) চক্ৰপাণি বৈৰাগী

8. ‘মৃগাৱতী চৰিত্ৰ’ৰ লেখক কোন?

(A) দ্বিজ গোস্বামী (B) দ্বিজ ৰাম (C) ভৱানী দাস (D) কলাপ চন্দ্ৰ দ্বিজ

9. অসমৰ পঢ়াশালি আৰু আদালতত অসমীয়া ভাষাৰ পৰিৱৰ্তে কোন চনত বাংলা ভাষা প্ৰৱৰ্তিত হয়?

(A) 1826 (B) 1836 (C) 1837 (D) 1873

10. ‘অসমীয়া–ইংৰাজি অভিধান’ৰ ৰচয়িতা কোন?

(A) এ. কে. গাৰ্ণি (B) এছ. আৰ. ৱাৰ্ড

(C) মাইলছ ব্ৰনছন (D) উলিয়াম ৰবিনছন

11. অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা?

(A) 21 টা (B) 23 টা (C) 39 টা (D) 49 টা

12. অসমীয়া ভাষাৰ মূল কি?

(A) কামৰূপী প্ৰাকৃত (B) মাগধী (C) পূৰ্ব-মাগধী (D) অৱহট্‌ঠ

13. ‘পচতি’ৰ লগত জড়িত উৎসৱ কোনটো?

(A) দৌল উৎসৱ (B) শিৱৰাত্ৰি (C) ৰাস উৎসৱ (D) জন্মাষ্টমী

14. ‘বাইখু’ কোন জনগোষ্ঠীৰ উৎসৱ?

(A) ৰাভা (B) গাৰো (C) বড়ো (D) দেউৰী

15. ‘টুচু পৰব’ কোন জনগোষ্ঠীয়ে পালন কৰে?

(A) মিচিং জনগোষ্ঠী (B) নেপালী জনগোষ্ঠী (C) চাহ জনগোষ্ঠী (D) তিৱা জনগোষ্ঠী

***তলৰ 16ৰ পৰা 20লৈ দিয়া প্ৰতিটো অসম্পূৰ্ণ বাক্যৰ তলত দিয়া A,B,C,Dৰ কোনটো বাক্যাংশ যোগ দিলে সম্পূৰ্ণ হয় বিচাৰি উলিওৱা।***

16. ‘কুষাণ গান’ প্ৰচলিত অঞ্চল ঃ

(A) কামৰূপ (B) গোৱালপাৰা (C) শিৱসাগৰ (D) নগাওঁ

17. ‘ৰতিৰাত্মা কাব্যস্য’ এই উক্তিটোৰ বক্তা ঃ

(A) বামন (B) বিশ্বনাথ (C) ৰুদ্ৰট (D) ভামহ

18. আচাৰ্য দণ্ডীয়ে ৰচনা কৰা গ্ৰন্থখন ঃ

(A) কাব্যালঙ্কাৰ (B) কাব্যদৰ্শ (C) কাব্য-প্ৰকাশ (D) কাব্য-মীমাংসা

19. 'নিৰলাত সোঁৱৰা হিয়াৰ আৱেগেই কবিতা' বুলি কৈছিল কোনে?

(A) কলৰিজে (B) ব্ৰাউনিঙে (C) ৱৰ্ডছৱৰ্থে (D) শ্যেলীয়ে

20. ট্ৰেজেডীৰ প্ৰসঙ্গত 'কেথাৰছিছ' শব্দৰ প্ৰয়োগ কৰ্তা ঃ

(A) প্লেটো (B) এৰিষ্ট'টল (C) লুকাচ (D) জনছন

***তলৰ 21ৰ পৰা 30লৈ দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি A,B,C আৰু D চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে। তাৰে পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা।***

21. 'তেওঁলোকৰ (কামৰূপৰ মানুহৰ) ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ'— হিউৱেনচাঙৰ উক্ত মন্তব্যৰ পৰা প্ৰমাণিত হয় যে—

(A) সেই সময়ত কামৰূপত মধ্য ভাৰততকৈ সম্পূৰ্ণ সুকীয়া ভাষা এটা চলিছিল।

(B) সেই সময়ত কামৰূপত মধ্য ভাৰতৰ ভাষাতকৈ সামান্য সুকীয়া ভাষা এটাই গঢ় লৈছিল।

(C) সেই সময়ত কামৰূপত কামৰূপী ভাষা চলিছিল।

(D) কামৰূপৰ ভাষাটো মধ্য ভাৰতৰ পৰা অবিকৃতভাৱে আহি থিতাপি লৈছিল।

22. 'পূৰ্বকবি অপ্ৰমাদী মাধৱকন্দলি আদি
বিৰচিলা পদে ৰামকথা।'—শংকৰদেৱে কৰা এই উক্তিৰ পৰা এই কথা নিসন্দেহে প্ৰমাণিত হয় যে—

(A) মাধৱ কন্দলি শংকৰদেৱতকৈ আগৰ কবি।

(B) মাধৱ কন্দলি শংকৰদেৱতকৈ ডাঙৰ কবি।

(C) মাধৱ কন্দলি শংকৰদেৱতকৈ আগৰ কালৰ আৰু ডাঙৰ কবি।

(D) ৰামায়ণ পুথি গদ্যত ৰচনা কৰা হৈছিল।

23. পাশ্চাত্য শিক্ষাৰ প্ৰৱৰ্তন নোহোৱাহ'লে আধুনিক অসমীয়া সাহিত্যত গল্প, উপন্যাস আদি বিভিন্ন সাহিত্যিক ৰূপ বিকশিত নহ'লহেঁতেন, কাৰণ—

(A) পাশ্চাত্য শিক্ষাৰ পোহৰত অসমীয়া ভাষাই ঠন ধৰি উঠিছিল।

(B) উচ্চ শিক্ষাভিলাযী বহুতো অসমীয়া ডেকা কলিকতা অভিমুখী হৈছিল।

(C) পুৰণি অসমীয়া সাহিত্যৰ ধাৰাটো সম্পূৰ্ণ ৰুদ্ধ হৈ গৈছিল।

(D) পাশ্চাত্য শিক্ষাৰ জৰিয়তে উৎসাহী ডেকাচাম পাশ্চাত্য সাহিত্যৰ বিভিন্ন ৰূপৰ লগত পৰিচিত হৈছিল।

24. 'সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলোঁ, লম্ভা পৰিহৰি সাৰোধৃতে'—এই উক্তিটো সন্দেহাতীত নহয়, কাৰণ—

(A) বাল্মীকিৰ পঞ্চ-কাণ্ডাত্মক ৰামায়ণখনহে মাধৱকন্দলিৰ হাতত পৰিছিল।

(B) মাধৱদেৱে আদিকাণ্ড ৰামায়ণ অনুবাদ কৰিছিল।

(C) শংকৰদেৱে উত্তৰাকাণ্ড ৰামায়ণ অনুবাদ কৰিছিল।

(D) শংকৰদেৱ আৰু মাধৱদেৱে ক্ৰমে আদি আৰু উত্তৰাকাণ্ড ৰামায়ণ অনুবাদ কৰিছিল।

25. সাম্প্ৰতিক অসমীয়া সাহিত্যৰ স্বৰূপ ভালেখিনি সলনি হৈছে, কাৰণ অসমীয়াৰ শব্দভাণ্ডাৰ আৰু বাক্য গঠনত বিদেশী ভাষাৰ প্ৰভাৱ—

(A) একেবাৰে নাই। (B) নাই বুলিলেই হয়।

(C) ক্ৰমশঃ বৃদ্ধি পাই আহিছে। (D) অতিশয় প্ৰৱল।

26. কাকতিৰ ‘অসমীয়া—ইয়াৰ গঠন আৰু বিকাশ’ পুথিত সাম্ভাব্য অনাৰ্য উপাদান বুলি এটা অধ্যায় আছে; ইয়াৰ পৰা নিসন্দেহে কব পাৰি যে—

(A) অসমীয়াত বহুতো অনাৰ্য ভাষাৰ উপাদান আছে।

(B) অসমীয়াত বহুতো অনাৰ্য ভাষাৰ উপাদান থাকিব পাৰে।

(C) অসমীয়াত অনাৰ্য ভাষাৰ উপাদান থকাটো সন্দেহজনক।

(D) অসমীয়াত অনাৰ্য ভাষাৰ মাত্ৰ দুই-এটা উপাদান আছে।

27. অসমত অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠা সম্ভৱ নহ’লহেঁতেন, যদিহে—

(A) মিছনেৰী সকল খৃষ্টধৰ্ম প্ৰচাৰৰ কাৰণে অসমলৈ নাহিলহেঁতেন।

(B) ঢেকিয়াল ফুকন আদি অসমীয়া পণ্ডিত সকলে কলম ধৰি নুযুঁজিলেহেঁতেন।

(C) মিছনেৰী সকলৰ লগত অসমীয়া পণ্ডিত সকলে সহযোগ নকৰিলেহেঁতেন।

(D) 1937 চনৰ 29 নম্বৰ ভাষা প্ৰৱৰ্তন আইনখন বাতিল নহ’লহেঁতেন।

28. ধ্বনিৰ পুনৰাবৃত্তিলৈ চাই তলত দিয়া

জগ জন জীৱন অজন জনাৰ্দন
  দনুজ দমন দুখহাৰী ;
মোহদানন্দ কন্দ পৰমানন্দ
  নন্দ নন্দন বনচাৰী।

পদফাকিত তলত দিয়া অলংকাৰ প্ৰয়োগ হোৱা বুলি কব পাৰি ঃ

(A) উপমা (B) যমক (C) অনুপ্ৰাস (D) শ্লেষ

29. উপমান উপমেয়ৰ মাজত অভেদ স্থাপিত হোৱা কাৰণে তলৰ কবিতাংশৰ—

‘দহোটা আঙুলি চম্পাকলি যেন,
<u>পদুমৰ ঠাৰি দুখনি হাত।</u>’

নিম্নৰেখ বাক্যখণ্ডত নিম্নোক্ত অলংকাৰ অনুৰণিত হৈছে ঃ

(A) উৎপ্ৰেক্ষা (B) ৰূপক (C) সন্দেহ (D) ভ্ৰান্তিমান

30. প্ৰত্যেক চৰণত আঠোটাকৈ আখৰ থকা হেতুকে নিম্নোক্ত

‘হেন শুনি জাম্বুবন্ত,
ধাইলা মহা বলবন্ত ;
নিচিনি স্বামীক পাছে,
ধৰিলন্ত যুদ্ধ কাছে।

পদফাকিত ব্যৱহৃত ছন্দটোক বুলিব পাৰি ঃ

(A) ঝুমুৰী (B) কুসুম মালা (C) চতিহা (D) দুলৰী

***তলৰ 31ৰ পৰা 38লৈ দিয়া প্ৰতিটো প্ৰশ্নতে উল্লেখ কৰা আলোচনী-পুথিৰ প্ৰকাশন, লেখকৰ জন্ম, ভাষাৰ প্ৰসাৰ, সভা প্ৰতিষ্ঠাৰ সময় অনুক্ৰমে A,B,C আৰু D — এই চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰেপৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা।***

31. I হৰিবৰ বিপ্ৰ
II মাধৱ কন্দলি
III কবিৰত্ন সৰস্বতী
IV ৰত্নাকৰ কন্দলি
(A) IV, III, I, II (B) III, I, IV, II (C) II, I, IV, III (D) I, III, II, IV

32. I সংস্কৃত
II প্ৰাকৃত
III বৈদিক আৰ্য
IV অবহ্‌ট্‌ঠ
(A) I, III, IV, II (B) III, I, II, IV (C) II, IV, III, I (D) IV, I, III, II

33. I কথা ৰামায়ণ
II কথা গীতা
III কথা গুৰুচৰিত
IV বৰদোৱা চৰিত
(A) I, III, II, IV (B) II, I, IV, III (C) II, I, III, IV (D) IV, II, I, III

34. I বাঁহগড়ীয়া আতন বুঢ়াগোহাঁইৰ বুৰঞ্জী
II চকৰিফেঁটী বুৰঞ্জী
III পুৰণি অসম বুৰঞ্জী
IV তুংখুঙ্গীয়া বুৰঞ্জী
(A) III, I, II, IV (B) II, IV, I, III (C) IV, II, III, II (D) I, III, IV, II

35. I A Grammar of Assamese Language

II অসমীয়া ব্যাকৰণ

III Grammatical Notices of the Assamese Language

IV বহল ব্যাকৰণ

(A) III, II, IV, I (B) II, III, I, IV (C) I, III, II, IV (D) III, IV, I, II

36. I আসাম বিলাসিনী

II অৰুনোদই

III আসাম নিউজ

IV বিজুলী

(A) I, II, IV, III (B) II, III, I, IV (C) III, II, IV, I (D) II, I, III, IV

37. I অ.ভা.উ.সা. সভা

II অসমীয়া ছাত্ৰৰ সাহিত্য সভা

III আসাম এছোচিয়েচন

IV অসম সাহিত্য সভা

(A) I, III, IV, II (B) II, I, III, IV (C) III, IV, II, I (D) I, II, IV, III

38. I জীৱনৰ দীঘ-বাণি

II মোৰ জীৱন-দাপোন

III সদৰামীনৰ আত্মজীৱনী

IV মোৰ জীৱনৰ কিছু কথা

(A) III, II, IV, I (B) II, III, I, IV (C) IV, II, III, I (D) I, IV, II, III

***তলৰ 39ৰ পৰা 45লৈ দিয়া প্ৰশ্নসমূহত 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই A,B,C আৰু D চাৰিটা বিকল্প দেখুওৱা হৈছে। তাৰে পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা।***

39.

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| I | জ্যোতিপ্ৰসাদ আগৰৱালা | 1. | অসম কেশৰী |
| II | নলিনীবালা দেৱী | 2. | বনকোঁৱৰ |
| III | অম্বিকাগিৰী ৰায়চৌধুৰী | 3. | ৰূপকোঁৱৰ |
| IV | কমলাকান্ত ভট্টাচাৰ্য | 4. | অগ্নিকবি |
| | | 5. | ৰহস্যবাদী কবি |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 3 | 1 | 3 | 5 |
| (B) | 3 | 5 | 1 | 4 |
| (C) | 2 | 1 | 3 | 4 |
| (D) | 5 | 4 | 2 | 1 |

40. স্তম্ভ 'ক' স্তম্ভ 'খ'

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| I | অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ব | 1. | দেৱানন্দ ভৰালি |
| II | অসমীয়া ভাষা ঃ ইয়াৰ গঠন আৰু বিকাশ | 2. | বিৰিঞ্চি কুমাৰ বৰুৱা |
| III | অসমীয়া ভাষাৰ মৌলিক বিচাৰ | 3. | উপেন্দ্ৰ নাথ গোস্বামী |
| IV | অসমীয়া ভাষাৰ উদ্ভৱ, বিকাশ আৰু সমৃদ্ধি | 4. | কালিৰাম মেধি |
| | | 5. | বাণীকান্ত কাকতি |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 4 | 5 | 1 | 3 |
| (B) | 5 | 3 | 2 | 1 |
| (C) | 3 | 4 | 3 | 2 |
| (D) | 2 | 1 | 4 | 4 |

41.

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| I | ভক্তিবাদ | 1. | বিনয় চন্দ্ৰ ভাগৱতী |
| II | বেদৰ পৰিচয় | 2. | মহেশ্বৰ নেওগ |
| III | জীৱন আৰু সাহিত্য | 3. | বাপচন্দ্ৰ মহন্ত |
| IV | জিজ্ঞাসাবাদ | 4. | তীৰ্থনাথ শৰ্মা |
| | | 5. | যোগীৰাজ বসু |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 4 | 5 | 3 | 1 |
| (B) | 3 | 4 | 1 | 2 |
| (C) | 5 | 3 | 2 | 4 |
| (D) | 4 | 2 | 3 | 1 |

42.

| | স্তম্ভ 'ক' | | স্তম্ভ 'খ' |
|---|---|---|---|
| I | অসমীয়া জন সাহিত্য | 1. | লীলা গগৈ |
| II | অসমৰ লোক সংস্কৃতি | 2. | হেম বুঢ়াগোহাঞি |
| III | অসমীয়া লোক-সাহিত্যৰ ৰূপৰেখা | 3. | প্ৰফুল্লদত্ত গোস্বামী |
| IV | জন সংস্কৃতিৰ ৰূপৰেখা | 4. | বিৰিঞ্চি কুমাৰ বৰুৱা |
| | | 5. | নিৰ্মলপ্ৰভা বৰদলৈ |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 1 | 2 | 5 | 3 |
| (B) | 2 | 3 | 4 | 1 |
| (C) | 3 | 4 | 1 | 2 |
| (D) | 3 | 5 | 1 | 2 |

43. স্তম্ভ ‘ক’ — স্তম্ভ ‘খ’

| | স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ |
|---|---|---|---|
| I | টিকেন্দ্রজিৎ | 1. | প্ৰবীণ ফুকন |
| II | চক্ৰধ্বজ সিংহ | 2. | উত্তম বৰুৱা |
| III | মনিৰাম দেৱান | 3. | লক্ষ্মীনাথ বেজবৰুৱা |
| IV | জেৰেঙাৰ সতী | 4. | সত্যপ্ৰসাদ বৰুৱা |
| | | 5. | অতুল চন্দ্ৰ হাজৰিকা |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 2 | 3 | 4 | 5 |
| (B) | 5 | 3 | 1 | 2 |
| (C) | 4 | 2 | 1 | 3 |
| (D) | 3 | 5 | 2 | 4 |

44. স্তম্ভ ‘ক’ — স্তম্ভ ‘খ’

| | স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ |
|---|---|---|---|
| I | স্মৃতিতীৰ্থ | 1. | নলিনীবালা দেৱী |
| II | অসম কেশৰী অম্বিকাগিৰী | 2. | দীনবন্ধু তালুকদাৰ |
| III | বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি | 3. | তিলক দাস |
| IV | মানিক চন্দ্ৰ বৰুৱা | 4. | লোহিত চন্দ্ৰ ভূঞা |
| | | 5. | সৰ্বেশ্বৰ শৰ্মা কটকী |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 1 | 2 | 3 | 4 |
| (B) | 2 | 3 | 4 | 5 |
| (C) | 3 | 1 | 2 | 4 |
| (D) | 5 | 4 | 1 | 2 |

45. স্তম্ভ ‘ক’ — স্তম্ভ ‘খ’

| | স্তম্ভ ‘ক’ | | স্তম্ভ ‘খ’ |
|---|---|---|---|
| I | গুৱাহাটী তাম্ৰ শাসন | 1. | ভাস্কৰ বৰ্মা |
| II | তেজপুৰ তাম্ৰ শাসন | 2. | মহাভূতি বৰ্মা |
| III | ডুবি তাম্ৰ শাসন | 3. | মহামাণিক্য |
| IV | নিধানপুৰ তাম্ৰ শাসন | 4. | ইন্দ্ৰপাল |
| | | 5. | বনমাল বৰ্মা |

| | I | II | III | IV |
|---|---|---|---|---|
| (A) | 4 | 5 | 3 | 1 |
| (B) | 1 | 2 | 4 | 3 |
| (C) | 3 | 4 | 2 | 1 |
| (D) | 4 | 5 | 1 | 2 |

***তলত দিয়া পৰিচ্ছেদটো মনযোগ সহকাৰে পঢ়ি তাৰে তলত দিয়া 46ৰ পৰা 50লৈ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ চিহ্নিত কৰা।***

আহোম যুগত হিন্দু ধৰ্মৰ বৰ্ণভেদ প্ৰথাই শেষ স্তৰত উপনীত হৈছিল। ৰাজ্যৰ শাসনভাৰ অহিন্দু ৰজাৰ হাতত থকাত আৰু নানা জাতি উপজাতিৰ সংমিশ্ৰণৰ ফলত পূৰ্বৰ বৰ্ণভেদ প্ৰথা শিথিল আৰু উদাৰ হ'ল। পূৰ্বৰ দৰে ব্ৰাহ্মণসকলে অৱশ্যে সমাজত স্থান আৰু প্ৰতিপত্তি লাভ কৰিছিল। ৰাজগুৰুৰ বাহিৰেও ব্ৰাহ্মণ সকলক কটকী বিষয়ত নিয়োগ কৰা হৈছিল। যাগ-যজ্ঞ, শাস্ত্ৰ-পাঠ, দীক্ষা-দান ব্ৰাহ্মণৰ কাৰ্য আছিল। সাধাৰণ ব্ৰাহ্মণে পূজা-পাতল আৰু নিজে কোৰ কটাৰী ধৰি খেতি-বাতি কৰি প্ৰৱৰ্তিছিল। গোস্বামী, মিত্ৰ, সভাপণ্ডিত, ভট্টাচাৰ্য, চক্ৰৱৰ্তী, কন্দলি, কটকী আদি ব্ৰাহ্মণৰ উপাধি আছিল। আহোম স্বৰ্গদেৱসকলৰ অনুগ্ৰহত দৈৱজ্ঞসকলে শুভাশুভ দিন-ক্ষণ গণনা আৰু পূজা পাতি কৰিছিল।

কায়স্থ সকলে নিজক শূদ্ৰতকৈ উচ্চ পৰ্যায়ৰ বুলি গণ্য কৰিছিল। তেওঁলোকে সাধাৰণতে লিখা-পঢ়া কাৰ্যত লিপ্ত আছিল। কাইথেলী লিপি, কাইথেলী অঙ্ক কায়স্থ সকলৰ পৰাই উদ্ভৱ বুলি কোৱা হয়। অন্য বৰ্ণৰ ভিতৰত বৰ কলিতা, সৰু কলিতা, বৰ কোঁচ, সৰু কোঁচ, কেওত, জালিক কৈৱৰ্ত, হালিক কৈৱৰ্ত, হিন্দু-চুটিয়া, আহোম-চুটিয়া, আহোম, ডোম, চড়াল, শুৰি, সূত, নাথ, যোগী, বৰ্ণসঙ্কৰ বৰীয়া, তাঁতী, তেলী, ধুবী, নাপিত আদি বিবিধ বৰ্ণৰ উদ্ভৱ হয়। এই তালিকাৰ পৰা বুজিব পাৰি যে ভালেমান বৰ্ণ মূলতে উপজাতিহে ; হিন্দু ধৰ্ম গ্ৰহণ কৰাত তেওঁলোকক বিশিষ্ট বৰ্ণ পৰ্যায়ভুক্ত কৰা হৈছে। এইদৰে ভালেমান বৃত্তিকো বৰ্ণলৈ তুলি নিয়া হৈছিল। তাৰ ভিতৰত সোণাৰী (কলিতা), কুমাৰ (কলিতা), কহঁাৰ (কলিতা), নট আদি বৰ্ণ উল্লেখযোগ্য।

সামাজিক জীৱনত আহোম সকলে নাৰীক দিয়া মৰ্যদা আৰু প্ৰধান্য বিশেষ উল্লেখনীয়। নাৰী ৰাজ সিংহাসনত উঠিছিল আৰু ৰাণীৰ ৰাজ্য শাসনত হাতো আছিল। প্ৰত্যেক কুঁৱৰীৰ ব্যক্তিগত মেল অৰ্থাৎ খাত-পাম আছিল। এইবোৰৰ শাসনত কুঁৱৰীসকলে নিজ ক্ষমতা প্ৰয়োগ কৰিবলৈ অধিকাৰ পাইছিল। অসমত বহু-বিবাহ আৰু অসবৰ্ণ বিবাহৰ বিশেষ প্ৰচলন আহোমৰ দিনৰ পৰা হয় বুলি অনুমান কৰিব পাৰি। অসবৰ্ণ বিবাহৰ হেতু সমাজত কোনেও হীনতা স্বীকাৰ কৰিব নেলাগিছিল। শাস্ত্ৰীয় বিবাহ পদ্ধতিৰ বাহিৰেও পলুৱাই আনিও বিবাহ সম্পন্ন কৰা হৈছিল। আহোম সকলৰ মাজত চকলং বিবাহ পদ্ধতি চলিছিল যদিও স্বৰ্গদেৱ আৰু ডা-ডাঙৰীয়াসকলে হিন্দু প্ৰথাৰেও বিবাহ কৰিছিল। বিবাহ উৎসৱত গায়ন বায়ন আদিয়ে বাদ্য সঙ্গীত যোগাইছিল; কোনো কোনো ক্ষেত্ৰত বিবাহ উৎসৱত ভাওনাও পতা হৈছিল। স্বৰ্গদেৱ কমলেশ্বৰ সিংহৰ ভনী আইদেওক কুএ্ঞগঞা বুঢ়াগোহাঁই ডাঙৰীয়াৰ মাজু পুতেকলৈ চকলং মতে বিবাহ দিছিল। 'সেই বিবাহত ন দিন পানী তুলিছিল। সকল সত্ৰ-চহৰীয়া গায়ন বায়ন আনিছিল। ছোৱালী উলিয়াই দিবৰ দিনা ডাঙৰীয়াবোৰ চৌৱাত বহিছিলহি। বৰবৰুৱা, ফুকনবোৰো বহিছিল। সেই বিবাহত বুঢ়াগোহাঁই ডাঙৰীয়া, চমুৱা, বৰুৱা, ফুকন, কটকী, কাকতি, বিলতীয়া এইবোৰক বঁটা দিলে।'

স্বৰ্গদেৱসকলে ছোৱালীৰ ঘৰলৈ জোৰণ পঠাইছিল; আৰু ছোৱালী বিয়া দি উলিয়াই দিওঁতে ভালেমান বয়-বস্তুৰ বাহিৰেও বেটী-বন্দী, লাচনী-লিগিৰী যৌতুকত দিছিল।

46. আহোম যুগত বৰ্ণভেদ প্ৰথা শিথিল হোৱাৰ কাৰণ—
   (A) শাসন ভাৰ অহিন্দু ৰজাৰ হাতলৈ যোৱা।
   (B) নানা জাতি উপজাতিৰ সংমিশ্ৰণ।
   (C) বৰ্ণহিন্দুৰ সংখ্যা তাকৰ হোৱা।
   (D) শাসনৰ বাঘজৰী অহিন্দু ৰজাৰ হাতত থকা আৰু নানা জাতি উপজাতিৰ সংমিশ্ৰণ।

47. আহোম যুগত বৃত্তি অনুসৰি বৰ্ণ সৃষ্টি হোৱাৰ প্ৰধান কাৰণ—

(A) অসমত হিন্দু বৰ্ণাশ্ৰম ধৰ্মৰ সম্প্ৰসাৰণ।

(B) জীৱিকা নিৰ্বাহৰ অৰ্থে বিভিন্ন উপজাতিৰ মাজত শ্ৰম বিভাজন।

(C) বিভিন্ন স্থানীয় উপজাতিৰ হিন্দুধৰ্ম গ্ৰহণ।

(D) সোণাৰী, কুমাৰ, কহাঁৰ আদিৰ কলিতা জাতিলৈ উত্তৰণ।

48. আহোম যুগত যে নাৰীয়ে উচ্চ সামাজিক মৰ্যদা ভোগ কৰিছিল তাৰ প্ৰমাণ—

(A) জাতিভেদ প্ৰথাৰ শিথিলতা।

(B) অসবৰ্ণ বিবাহৰ স্বীকৃতি।

(C) ৰাজ্য শাসনত নাৰীৰ অংশ গ্ৰহণ।

(D) অসবৰ্ণ বিবাহৰ সামাজিক স্বীকৃতি আৰু ৰাজ্য শাসনত নাৰীৰ অংশ গ্ৰহণ।

49. আহোম ৰাজত্বত চকলং আৰু হিন্দু পদ্ধতিৰ বিবাহ প্ৰথা প্ৰচলিত হোৱাৰ প্ৰধান কাৰণ—

(A) আহোম স্বৰ্গদেৱসকলৰ হিন্দু ধৰ্ম গ্ৰহণ।

(B) আহোম প্ৰজাসকলৰ হিন্দু ধৰ্ম গ্ৰহণ।

(C) স্থানীয় হিন্দু সমাজৰ আহোম ৰাজধৰ্মৰ প্ৰতি আনুগত্য।

(D) আহোম আৰু স্থানীয় পুৰণি হিন্দু সমাজৰ মাজত চলা পাৰস্পৰিক মিত্ৰতা।

50. আহোম ৰজাই বিয়াৰ যৌতুক স্বৰূপে কন্যাৰ লগত বয়-বস্তু আৰু বেটী-বন্দী দিয়াৰ প্ৰধান কাৰণ—

(A) কন্যাৰ দৈনন্দিন জীৱনত সা-সুবিধা আৰু মৰ্যাদা নিশ্চিত কৰা।

(B) ৰজা সকলৰ নিজৰ প্ৰতিপত্তি প্ৰমাণ কৰাৰ প্ৰয়াস।

(C) কন্যাই দৰাৰ ঘৰত কোনো অসুবিধা নোপোৱাটো নিশ্চিত কৰা।

(D) দৰা ঘৰত কন্যাৰ মৰ্যদা ৰক্ষা কৰা।

- o O o -

**Space For Rough Work**